এৰি নামৰূকলৈকে যাব লগাহে হল। এতেকে আমি গুৱাহাটী এৰি দিব নোৱাৰো। আৰু ৰাজা ৰামসিংহৰ শপত পাৎসা ৰাখিবনেকি? ৰামসিংহক গুচাই আন নমাবক যেতিয়া বহাব তেতিয়া সেয়ে ৰাখিবনেকি? যদি পাৎসা এইৰূপে শপত কৰে তথাপি নেৰে। ৰাজাদেৱে গুৱাহাটী এৰিব নেদি বুঢ়াগোহাঁইক মুক্ত কৰি অনেককো ৰামসিংহৰ যুদ্ধলৈ পাঠিলে। ১৯৬॥

ৰামসিংহই গুৱাহাটী বিচাৰে।—ৰামসিংহে এইকথা শুনি আগচকী মাৰি হাজোত থানা দি ৰহি বৰফুকনৰ ঠাইক পণ্ডিতৰাই কটকীক পঠাই এইখান বুলি আহিল, পূৰ্ব্বে আলিয়াৰ-খাঁ নবাবে যেমত ৰহিছিল, তেমত প্ৰীতি ৰাখি গুৱাহাটী এৰি দিয়োক। বৰফুকনে বোলে, পণ্ডিতৰাই, আমাৰ প্ৰীতি সহিতে আলিয়াৰ-খাঁ নবাবেৰে যে নিবন্ধগোট চলি আছিল, সি অন্তাৱধি ভাসিয়া ৰহিছে। এখনো যদি ৰাজা ৰামসিংহে সেমত প্ৰীত্যনুবন্ধ কৰিতে চাহে যাবৎকাল পৰ্য্যন্ত যেমত ৰহে তেমত কৰিব। গুৱাহাটী এৰিব নোৱাৰো। এই বুলি তাৰ লগে আমাৰ নিম, ৰামচৰণ, দুই কটকীক পত্ৰ-সন্দেশ দি পঠাই দিলে। ৰামসিংহে আমাৰ কটকীক তুলি বোলে, নিম, ৰামচৰণ, প্ৰীতি ৰাখিয়া তোমাৰ সঙ্গে পণ্ডিতৰাইক যে পঠাইছিলো কেমত হৈল। আমাৰ কটকীয়ে বোলে, পূৰ্ব্বাৱধি যেমত আমাৰ সঙ্গে তেমত, তোমাৰ সঙ্গেহে বিষম দেখি। ৰামসিংহে বোলে, কেমত বিষম? আমাৰ কটকীয়ে বোলে, আগচকী যেখন মাৰিলা তেখন বিষম। ১৯৭॥

অসমৰ বিচক্ষণ পাত্ৰ-মন্ত্ৰী।—পাচে পণ্ডিতৰাইত ভিতৰত সুধিলে বোলে, পাত্ৰ-মন্ত্ৰীসকলৰ কাৰ কেনে আসয়? তাক কি দেখিলে? পণ্ডিতৰাএ বোলে, বৰপাত্ৰ-গোহাঁই, বৰগোহাঁই, বৰফুকন, বৰগোহাঁই-ফুকন ৰূপে-গুণে, তেজ-বয়সে, বলে-বুদ্ধিয়ে সকলোৰূপে সমৰ্থ। আৰু বুঢ়াগোহাঁই বয়সতো অল্প, গৌৰ, সুন্দৰ, ধীৰ, গহন আসয়, সকলো কাৰ্য্যত চতুৰ, মন্ত্ৰণাত সকলো চলে। এইৰূপ শুনি

ৰামসিংহে বোলে, এমন বয়সত এমন বুদ্ধিহে। পণ্ডিতবায়ে বোলে, বৰে চক্ৰী। ৰাজা বোলে, আৰ বয়সত কমনে তৰ্কিবহে। ভালা মন্ত্ৰী, সাৰ্থক মন্ত্ৰী জন্মিলাহে। ১৯৮॥

আফুগুটিৰ টোপোলা আৰু বালিৰ চুঙ্গা।—এই বুলি আমাৰ দুই কটকীৰ লগে পত্ৰ-সন্দেশ দি আৰু আফুগুটি বালি এইসকল দি পুনৰ্ব্বাৰ পণ্ডিতৰাইক পঠালে। বৰফুকনে তাক তুলি বোলে, তোৰ ৰাজা ৰামসিংহে আৰু কি কৈ আহিছে? সি বোলে, ফুকন ভাএ সমুখে চাৰি-দণ্ডমানে যুদ্ধ দিয়ক। যদি আহিলা-পাতিয়ে নোজোৰে কৈ আহক মই দিম। বুঢ়াগোহাঁইৰ আসয়ক লৈ ফুকনে বোলে, চাৰিদণ্ড বেলালৈ যুদ্ধ খুজি আহিছে। তালৈকে আহিলা যাচিছে। তোৰ ৰাজা অল্পমতিহে। পণ্ডিতৰাই, তই গৈ কৰি, যদি যুদ্ধক মন আছে চাৰি-পাঁচ বৎসৰলৈ কৈ আহিব। যদি সেইমানলৈ আহিলা-পাতিয়ে নোজোৰে আমালৈ কৈ আহিব, তেবে আমি দিম। এইবুলি তাৰ আফুগুটি পটাত বাটি পটা সমন্বিতে, আৰ বালি চুঙ্গাত ভৰি অনেক কটকেৰে বিন্ধি দি পঠালে। ১৯৯॥

ৰামসিংহৰ ভেদপত্ৰ।—পুনৰ্ব্বাৰ তাৰ কটকীৰ মুখে শুনি বোলে, ভালা ৰাজা, ভালা দেশ, ভালা মন্ত্ৰী। আতপাচে চৰিয়ামুখে বাৰ্ত্তা পাই বুঢ়াগোহাঞে, লাচিত ফুকনে সকলো লগৰ মানুহে খেদি ৰাত্ৰে দুয়ে মন্ত্ৰণা কৰি পুৰালৈ গড়ত হিলৈদাৰি কাণ্ডী যি নিৰন্ধে থৱ লগা সেই নিয়মেদি পানী-যুদ্ধৰো আশলখা গুচাই নাও-নাৰৱা তিয়াৰ কৰি থৈ এই নিৰন্ধ কৰি বোলে, খেন-হিলৈ নামাৰেমানে যি একাঠি কাণ্ড, এটা গুলি মাৰিব, তাক কাটিম। এই নিবন্ধ কৰি দখিণে হল ফুকন, উত্তৰে হল গোহাঞি। পাচে বঙ্গালে নাৱে-তৰে আহি ধৰিলেহি। সেই সময়তে এক মন্ত্ৰণা কৰি কাণ্ডৰ আগত পত্ৰ বান্ধি বুঢ়াগোহাঁইৰ ঠাইক মাৰি পঠালে, বোলে, বৰফুকনে প্ৰীতি কৰি যুদ্ধ এৰিলে। বৰফুকনৰ ঠাইতো এইৰূপে বোলে, বুঢ়াগোহাঁইয়ে প্ৰীতি কৰি যুদ্ধ এৰিলে।

গোহাঁয়ে ফুকনে এই মন্ত্ৰণা বুজি সমস্তকো নিজম হৈ সাৱধানে ৰহিব দিলে। ২০০ ॥

শৰাইঘাটৰ ৰণ।—পাচে বঙ্গালে অচমে মন এৰিলে বুলি নাৱে উজাই আহি গড়ৰ ভিতৰ সোমালহি। আমাৰ লোকে বোলে, দুই-চাৰিখান নাও বাহিৰ হল। তবেও গড়ত ধৰিলেহি। গোহাঞে বোলে, ধৰক, কোনেও কাণ্ড গুলি নামাৰিব। এইবুলি সাজ খাই কাপৰ লৈ শুভক্ষণত ওলাই খেন-হিলৈ মাৰি ইপাৰে-সিপাৰে নাৱে-তৰে জুৰি ধৰিলে। বঙ্গাল মৰা-শৰে লুইতত জাঁজি প্ৰায়ে উটি গল। বঙ্গাল ভাগি গৈ হাজোত ৰহি গড় ভাঙ্গিবলৈ মন্ত্ৰণা কৰি খাৰৈৰ তলে গাত খানি তল উলিয়াই খাৰ ভৰাই জুই লগাই ৪ বেঞ গড় ভাগিলে। পাণ্ডুয়েদি এইকথা গোহাঁয়ে জানি সাৱধানে আছিল। ততক্ষণে গোহাঞে ঢৰা মাৰি মাটি দি গড় বান্ধিলে। ৰামসিংহে সেইক্ৰমে খহাই নোৱাৰি বোলে, অচমৰ সমুখে যি আহিব তাৰ গালত হাড়ীৰ ঝাটে কোবাব। এইবুলি ভটিয়াই গল। ২০১ ॥

বিদেশী বৈৰাগীৰ প্ৰভাৱ।—আতপাচে ৰাজাদেৱে ববাগী এটাব ভকত হৈ সকলকো ভকত কৰালে। পাচে মোয়ামৰাৰ, মকাজানৰ, শিলিখাতলৰ, চেচামুখৰ, এই চাৰিজন মহাজনক আনি হাতীশালত বন্দী কৰি থৈ বোলে, সিবোৰে কি মহিমা দেখাব পাৰে? তাবা-সকালে বোলে, আমি একো মহিমা দেখাব নোৱাবো, মহাপ্ৰভুৰ শ্ৰৱণ-কীৰ্ত্তন কৰি মহাৰাজাক আমি আশীৰ্ব্বাদ কৰি থাকো, আতবাজে কিছো নাজানো। ৰাজাদেৱে বোলে, মোৰ গুৰুৱে দেখো সকলকো জানে, এতেকে মোৰ গুৰুত শৰণ লৌক। এনেতে মকাজানৰ সেৱক ডেবেৰাএ সেৱা কৰি বোলে, তোৰাসবৰ চৰণে ৰাখিবা, আৰ প্ৰতিকাৰ যিৰূপে হয় কৰা যাব। এইবুলি সৰুজনা ৰাজ্জাৱে কথা হৈ ৰাতিসে ঘাখডুৱাৰে সোমাই বামুণ ডুৱৰী বৰুৱাক কাটি গৈ বৰচ'ৰাত পেলন বৰবৰুৱাক কাটি ভিতৰ সোমাই জখলা ওভতাই ৰাজাদেৱক

মাৰি সৰুজনাক ৰাজা পাতি বৰবৰুৱা হল। ৰাজভোগ ২ বৎসৰ ৫ মাস। ২০২॥

ডেবেৰা বৰবৰুৱাৰ অকাৰ্য্য।—পাচে ডেবেৰায়ে স্বতন্ত্র হৈ সৰুজনা ৰাজাক মাৰিলে, ১৫৯৬ শকত। ভোগ ১ বৎসৰ ৫ মাস। চতৰ ১০ দিন আছোতে বৃহস্পতিবাৰে চামগুৰীয়া কোঁৱৰ এজনাক আনি ৰাজা পাতি মৰঙ্গি বৰুৱাৰ জী আইকুঁৱৰীক শিখাব-বুজাবলৈ দি বোলে, তুমি গৃহবাহ নকৰিবা। পাচে সেই কুঁৱৰীয়েৰে ঘৰবাস কৰিবৰ জানি ১৫৯৭ শকৰ বৈশাখৰ দহদিন যাওঁতে মঙ্গলবাৰে চামগুৰীয়া ৰাজাদেৱক আইকুঁৱৰীদেৱে সহিতে মাৰিলে। ভোগ ২০ দিন। সেইদিনে তিঙ্গখঙ্গীয়া কোঁৱৰ এজনাক আনি ৰাজা পাতিলে। পাচে ডেবেৰাই বৰঘাটত লাউডেকাক চেপি মাৰিলে। ২০৩॥

শৰাইঘটীয়াৰ উজনি-যাত্রা।—আৰু কলঙ্কুৰ বেতমেলাক খাতোৱাল চেটিয়াৰ লাউডেকাক পঠালে, গুৱাহাটীৰ পৰা লালুক বৰফুকনক আনিবলৈ। দুয়ো গৈ দোপদৰত এই কথা-বাৰ্ত্তা কলে। এনেতে গধূলি হলত ঘৰাঘৰি গল। পাচদিনা গধূলি বুঢ়াগোহাঁয়িৰ বঙ্গহৰ খামতউ পাচনি পালেগৈ। বুঢ়াগোহাঁইত সকলো কথা-বাৰ্ত্তা কলে, মোকো ফুকনক নিবলৈ পাচিছে। পাচে দেৱকো নিবহি হেন শুনিছোঁ, এতেকে দেৱে যদি আপোনাৰ হিতক চিন্তিব ফুকনক এৰি নিদিব। এই লাউডেকাকে পঠাই এই ঠাইবেপৰা ঘোৰাকোঁৱৰ প্রমুক্ষে ফুকন হাজৰিকীয়া সকলকো নি মাৰিলে, এতেকে দেৱে যিৰূপ ভাল হব তাকে কৰিব। পাচে বৰফুকন প্রমুক্ষে ফুকন, ৰাজখোৱা, হাজৰিকীয়া সকলো বুঢ়াগোহাঁইৰ ঠাইক গৈ বোলে, "আমি সকলোৰূপে দেৱতে ভৰষা কৰি পৰিছোহি। দেৱে ফুকনক এৰি নেদিব। আৰু ডেবেৰাএ স্বতন্ত্রে ৰাজা পাতি ৰাজা মাৰে। এতিয়াও ফুকনক নিয়াই মাৰিব। সিনো কোন মানুহ? ই কৰ্ম্ম মহাৰাজাৰহে। বন্দী ডেবেৰাই এনে কৰিব পায়নেকি? এতেকে

দেৱকে আগত লৈ সকলো উজাই গৈ তাক ধৰো।” এইবুলি ফুল বৰুৱাৰ পুতেক পানীফুকন, দুৱৰাৰ কিৰকিৰিয়া ফুকন, এই দুইক চাৰিটা ৰাজখোৱা সহিতে গুৱাহাটীত থৈ বুঢ়াগোহাঁই প্ৰমুক্ষে সকলো উজাই আহিল। ২০৪॥

ডেবেৰা বধ।—এইকথা শুনি ডেবেৰাই সকলকো নিয়ম কৰিলে, খৰিকটা দুৱাৰৰ পৰা দিখৌ কাষৰলৈ, দিখৌৰ উত্তৰপাৰে হাঁহচৰা খাটেদি পোনাই দাৰিকাত লগাই গোজ পুতি দুই-চাৰি চপৰা মাটি দি অস্ত্ৰ-শস্ত্ৰ দি মানুহকো নিয়ম কৰি থৈ ডেবেৰায়ো আমাৰ মানুহকো অস্ত্ৰ-শস্ত্ৰ দি ধৰি অনা বঙ্গালবোৰকো ঘোৰা দি লগত লৈ সাৱধানে ৰহিল মেচাঘৰৰ দুৱাৰত, ৰবাখোৱা দুৱাৰত চেঙ্গমুন বৰগোহাঁইক বাঁহগড়া দুৱাৰত আছুক বৰপাত্ৰ-গোহাঁইক। বুঢ়াগোহাঁই প্ৰমুক্ষে সকলো উজাই আহি নামডাঙ্গত ৰহিলহি। সেই ৰাতিয়ে ডেবেৰাৰ লগ এৰি সকলো পলাল। ডেবেৰাও পলাল। অস্ত্ৰে-শস্ত্ৰে বুঢ়াগোহাঁই প্ৰমুক্ষে সকলো উজাই আহি শাকবাৰিত ৰহিলহি। পাচে বিচাৰ কৰি দিলিহত ডেবেৰাক পাই গাহৰি সজাত ভৰাই ৰৰঘৰিণীয়েকক ওপৰত তুলি আনিলে। আৰু ফুকনৰ মেললৈকো নি সকঘৰিণীয়েকক কানত তুলি থৈছিলে। তাৰ লগৰ দুই হাজৰিকীয়া আনো ভাল মানুহ মাৰিলে। ভাই-পোক বিচাৰি আনি মাৰিলে। পাচে বুঢ়া-গোহাঁই প্ৰমুক্ষে সকলেও আলচি ১৫৫৭ শকত জেঠৰ ১০ দিন যাওঁতে দেওবাৰে তিঙ্গখঙ্গীয়া ৰাজাদেৱক ভাঙ্গিলে, ভোগ্য এক মাস। ২০৫॥

অৰ্জ্জুন দিহিঙ্গীয়া ৰজা।—পাচে দিহিঙ্গীয়া কোঁৱৰ এজনাক আনি ৰাজা পাতিলে বৰনাওশালত, তাতে ৬ মাহ আছিল। আৰাৰত কেন্দুগুৰীয়া চেঙ্গগোহাঁইক বৰপাত্ৰ পাতিলে। পাচে দ'লগুৰি নগৰত শিঙ্গৰীঘৰ সাজিলে। ৰাজাদেৱৰ লগত বুঢ়াগোহাঁইক থৈ গুৱাহটীয়া ফুকন ৰাজখোৱা সকলো ভটিয়াই গল। আঘোণত ৰাজাদেৱে শিঙ্গৰীঘৰ উঠি সিংহাসনত ৰহিল। সেইদিনে গুঞিমেলা গোহাঞিৰ পুতেক লালুকক ৰবগোহাঞি পাতিলে, কিৰকিৰীয়াক ৰবৰকৱা

পাতিলে, সকলকো যথাযোগ্য বঁটা-প্ৰসাদ দি সাতদিন ৰঙ্গ-আনন্দ কৰিলে। তিনিজনা ডাঙ্গৰীয়াকো নিতান্তে পৰ দিয়াইছিলে। ১৫৯৭ শকৰ ফাগুনত আউবৰ কলে। ২০৬॥

ৰজা আৰু বুঢ়াগোহাঁইৰ বিৰোধ।—১৫৯৮ শকৰ আহাৰত বাঁহগড়ীয়া গোহাঁয়ে, শুকুলাহুদু বুঢ়াগোহাঁইৰ পুতেক লাইফুকন, মোমাই-তামুলীৰ পুতেক ভাতধৰা, লাপেত ফুকন, টেপৰতলীয়া হেৰাপোৰাৰ পুতেক ৰাম ফুকন, কিৰ্কিৰীয়া বৰবৰুৱা প্ৰমুক্ষে আনো ফুকন ৰাজখোৱা সকলেও সমালোচন হৈ একপ্ৰহৰ ৰাত্ৰি যাঞোতে বুঢ়াগোহাঁইয়ে দোলাতে উঠি গড় ভিতৰ সোমালগৈ। বৰপাত্ৰ-গোহাঁইক পৰিয়াবহাতে দেখি ভাতধৰাকে ৰামফুকনকে পঠাই বোলে, জোৱাইক মাতি আন। বৰপাত্ৰ-গোহাঁয়ে বোলে, গা বেয়া কৰিছে, যাব নোৱাৰো। এইবুলি নগল। বৰগোহাঁইক বৰদুৱাৰত থলে, লাইথপনা সলাল গোহাঁই, লাউ বৰচেটিয়া বৰুৱা ফুকন সমস্তো গৈ বৰচ'ৰাতে আছিল। বুঢ়াগোহাঞো দোলাতে আছিল। এনেতে ভাৰধৰাই আইকুঁৱৰীদেৱৰ দুৱাৰে সোমাই গৈ উজনিৰ বৰজখলা গুচালে। ৰাজাদেৱ হাতত দা বাৰু লৈ বৰচ'ৰাৰ খালৈ ওলাই আহি দুই-চাৰি মানুহ কাটিব ধৰিলে। সাচঙ্গৰ বঙহ লিগিৰা বৰাক ৰা-বিচনীত এঘা মাৰিলে। সি পলাই সাৰিল, নমৰিল। ৰাজাদেৱক দেখি বুঢ়াগোহাঁয়ে দোলাৰ পৰা নামি খলাতে আছিল। চ'ৰাৰ টুপত দোলা দেখি ৰাজাদেৱে মানুহ আছে বুলি এঘা মাৰিলে, দোলা-চৈ কাটিলে। বেতমেলাই চেঙ্গপেটু জৰাধৰাক কাটি সোণাৰ তাউকিন লৈ পলাই গল। ২০৭॥

বুঢ়াগোহাঁইৰ নগৰ ত্যাগ।—বুঢ়াগোহাঁয়ে ৰাম ফুকনে পানী-জানে পলাই গৈ লেচাঙ্গৰ গোটানাও এখানি লৈ দিলিহে ভটিয়াই গল। ৰাতিপুৱা হলত বৰগোহাঁইক বৰপাত্ৰ-গোহাঁইক আগলৈকে নি কথা-বাৰ্ত্তা হল, পলৰীয়াসকলকো চপাই আনিব দিলে। কিকিৰীয়া বৰুৱা প্ৰমুখ্যে আনো ফুকন হাজৰিকীয়া সমস্তকো চপাই আনি

পূৰ্ব্ববতে ৰাখিলে। পাচে ৰাজাদেৱে লক্ষ্মীনাৰাণ গোখাগ্রি তাম তুলসী গীতা এইসকল বৰচ'ৰাতে থৈ সকলকো অনাই শপত কৰালে। আহোম নিয়মেও কৰালে, বৰঢাকতো ধৰাই কৰালে। বৰপাত্ৰ-গোহাঁয়ে বোলে, পূৰ্ব্বেও দোষ আচৰা নাই, পাচলৈকো নাচৰো, শপতো নকৰোঁ। ৰাজাদেৱে বোলে, যাৰ মন শুদ্ধ হব, তাৰ কি শপত? এইবুলি যোগ্যানুসাৰে সকলকো বঁটা-প্ৰসাদ দি ভটিয়াই গৈ তেলীয়াদোঙ্গাৰ পুখুৰীপাৰতে বৈ তাৰেপৰা বৰগোহাঁই, বৰপাত্ৰ-গোহাঁই, সলাল বৰগোহাঁই, বৰচেটিয়া, বৰবৰুৱা, বৰগোহাঁইৰ বহঙ্গৰ লালুকি ফুকন, বাঘচোৱাল বৰপাত্ৰ-গোহাঁইৰ ককায়েক লাইতউ ভিতৰুৱাল ফুকন, আনো ৰাজখোৱা হাজৰিকীয়া সকলকো আগকৈ গজপুৰলৈ পঠালে। ২০৮॥

উজনিত পুনৰ শৰাইঘটীয়া।—সিসকলো গৈ ততে ৰহিল। সেইবেলা গুৱাহাটীৰ পৰা বুঢ়াগোহাঁইৰ লগত উজাই অহা ক্ৰিমাৰ লালুক বৰফুকন, সলাল বৰগোহাঁইৰ পুতেক চেখাম, দিহিঙ্গীয়া লাপেত ফুকনৰ ভতিজাক থানুৱা ডেকাফুকন, মিৰি-সন্দিকৈৰ বৰগোহাঁই-ফুকন, ৰাজাশহুৰৰ পুতেক মোপিয়া, অভয়পুৰীয়া ৰাজখোৱা, ৰঙ্গা-চিলাৰ পুতেক মেচা ৰাজখোৱা, লালুক ফুকনৰ বঙহ হাড়কিনা ৰাজখোৱা, দৈয়ঙ্গীয়া, নামদৈয়ঙ্গীয়া ৰাজখোৱা, বৰ-অভয়পুৰীয়া ৰাজখোৱা জবঙ্গ গোহাঁই, মাজু-অভয়পুৰীয়া ৰাজখোৱা ফগুনা, সৰু-অভয়পুৰীয়া ৰাজখোৱা, লানুমুখুৰু বন্দৰ, লাপেত ফুকনৰ পুতেক আলুন পানীদিহিঙ্গীয়া ৰাজখোৱা, বুঢ়াগোহাঁই প্ৰমুখ্যে সকলো উজাই আহি লখৌত ৰহিলহি। তাৰপৰা আহি দেৱৰগাৱঁত ৰহিলহি। ২০৯॥

বুঢ়াগোহাঁইক আনিবলৈ চেষ্টা।—পাচে ৰাজাদেৱে ন-ৰবাৰ পুতেক দোলাকাষৰীয়া বৰুৱাক গজপুৰলৈ পঠাই বৰগোহাঁই, বৰপাত্ৰ-গোহাঁই, সলাল বৰগোহাঁই, বৰচেটিয়া গোহাঁই, এই চাৰিজনাত কৰ দিলে, বোলে, মোৰ অৰ্থে শপত কৰি ভাৰস্তাবগছি গা কৰি

বুঢ়াগোহাঁইক আনোক গৈ। যদি গোহাঁইৰ কুকুৰাপাখিটো লবে, মোক বিশ্ববধ দোষে পায়। এইৰূপে মহাৰাজাৰ আজ্ঞা সিয়ো কৈছে। এনেতে বেঙ্গেনাআটিয়া ৰামকৃষ্ণ বাপু পাই গৈ বোলে, মহাৰাজাৰ আজ্ঞা তোমোৰা সবে মোৰ আগতে নাও মেলি যাব দিছে। আৰু তিনিখানি তিনিখানি নাওহে লগত নিব দিছে, বঢ়াকৈ নিব নেদিছে। এইকথা শুনি গোহাঁইবোৰে তেখনেই নাও মেলি ভটিয়াই গল। ৩ দণ্ড বেলি আছোতে দেৱৰগাওঁ পালেগৈ। ২১০॥

অৰ্জ্জুন ৰজাৰে সৈতে শৰাইঘটীয়াৰ ৰণ।—পাচে দেৱঘৰৰ হাতীশালত বহি চাৰিজনা ডাঙ্গৰীয়া সহিতে বুঢ়াগোহাঁয়ে কথা-বাৰ্ত্তা হল। পাচে চাৰিজনা ডাঙ্গৰীয়া, মহাৰাজাৰ আজ্ঞা কলে বুঢ়াগোহাঁইত, বোলে মোৰ অৰ্থে তইঁতে ভাৰস্তাৰগছি গা কৰিবি। যদি বুঢ়াগোহাঁইৰ ঘৰৰ কুকুৰাপাখিটো হানি হয়, আৰু গোহাঁইকো কোনখান কৰোঁ, তেবে লৰা-তিৰতা, বেটি-বন্দী, তাৰ দোষ মোতে লাগে, ধৰ্ম্মতো ঘাটিম। বুঢ়াগোহাঁই বোলে, হয়, মহাৰাজাও বুলিছে, আপবোৰেও বুলিছে, মই যে ৰাজাদেৱৰ ডাঙ্গৰ অপৰাধী হৈছো, এনে অপৰাধক কিৰূপে ক্ষমা কৰিব। ভাল, আপবোৰে আজিলৈ বহাতে জিৰাই থাকোক, কালিলৈ যি হয় কথা-বাৰ্ত্তা হুম। এইবুলি সকলো ঘৰাঘৰি গল। সেই ৰাতিয়ে ফুকন, ৰাজখোৱা সমস্তেৰে যুক্তি হৈ মহাৰাজা বোলা আখাৰ এৰিলে। বঙ্গাচিলাৰ পুতেক মেচাক বুলিবলৈ নিৰন্ধ কৰি ঘৰাঘৰি গল। আনাদিনা চাৰিজনা ডাঙ্গৰীয়া বুঢ়াগোহাঞি প্ৰমুখ্যে সকলো এঠাই হৈ হাতীশালতে বহিল। কেঞে একো নৌবোলতে মেচাই বোলে, বৰগোহাঁই, সলাল বৰগোহাঁই, দুজনা কলীয়াবৰলৈ যাওক। বৰপাত্ৰ-গোহাঁই আমাৰ লগতে যাওক। বৰপাত্ৰ-গোহাঁয়ে বোলে, আতে যদি কোনোখান কৰাহাক তথাপি যাব নোৱাৰো। বুঢ়াগোহাঁয়ে খঙ্গ কৰি বোলে, ইহঁতে আমাৰ লগত থাকিব নালাগে, কলীয়াবৰত থাকোক গৈ। এইবুলি তিনিজনা ডাঙ্গৰীয়াক কলীয়াবৰলৈ পঠাই লাউ ৰবচেটিয়াক দেৱৰগাওঁতে

ৰথীয়া দি থৈ বুঢ়াগোহাঁই প্ৰমুখ্যে সকলো উজাই আহিল। ৰাজাদেৱো চিনাতলিত গড় আওতাই সাৰধানে বকৰা সমন্বিতে ৰহিল। তাতে দুয়োদলৰ যুদ্ধ লাগিল। ৰাজাদেৱ ভঙ্গ হৈ গড়-গাৱঁলৈ আহিল। ২১১॥

অৰ্জ্জুন দিহিঙ্গীয়া ৰজা বধ।—নামনিয়ালসকলে পাচে-পাচে খেদি আহি গৰ্গাঞ পালেহি। পাচে ভাতধৰাক ৰাখিব দি ঘৰাঘৰি গল। ভাতধৰায়ে ৰাজাদেৱক হিলৈয়েৰে খুন্দি মাৰিলে। আনাদিনা ফুকনবোৰ গৈ বুঢ়াগোহাঁইৰ চ'ৰাত বহিলত এইকথা গোহাঁয়ে শুনি বোলে, ভাতধৰাক চ'ৰাৰ পৰা নামি খলাত বহিব দেগৈ। এইবুলি ফুকনবোৰক চাঙ্গলৈ তুলি নিয়াই কথা-বাৰ্ত্তা হল। ভাতধৰাক নেনিলে। এই এক কাৰণ। আৰু ৰাজাদেৱৰ পুত্ৰ মাজুও গোহাঁইৰ চক্ষু কাঢ়ি নামৰূকলৈ দিলে। দীঘলা গোহাঁই পলাল, ধলা গোহাঁইক সৰুজনা গোহাঁইক মাৰিলে। ১৫৯৮ শকৰ শাওণৰ ১২ দিন যাওঁতে এইকথা। ভোগ্য এক বৎসৰ ২ মাহ ২ দিন। ২১২॥

চুডৈফা পৰ্ব্বতীয়া ৰজা।—শাওণৰ ১৫ দিন যাওঁতে পৰ্ব্বতীয়া ৰাজাদেৱক ৰাজা পাতিলে। বাঁহবৰীয়া ৰামকৃষ্ণ কটকীক পঠাই কলীয়াবৰৰ পৰা তিনিজনা ডাঙ্গৰীয়াক অনালে। পাচে শুঁৱিমেলাৰ পুতেক লালুক বৰগোহাঁই ভাঙ্গি মেচাঘৰীয়া জৰঙ্গ ৰাজখোৱাক বৰগোহাঁই পাতিলে। লাউ বৰচেটিয়াক ভাঙ্গি জপৰজলক বৰচেটিয়া পাতিলে। আৰু কিৰ্কিৰীয়া বকৰা যুদ্ধৰ পৰা পলাই ঘৰলৈ গল। পাচে মেচাক বৰবৰুৱা পাতিলে। ৰোকানগৰত বাহৰ সাজি ৰাজাদেৱ তাতে আছিল। ১৫৯৯ শকৰ ভাদৰ ৩০ দিন যাওঁতে শুক্ৰবাৰে চুণপোৰাত শিঙ্গৰীঘৰ উঠি সিংহাশনত বহি ৭ দিন ৰঙ্গ-আনন্দ কৰি যোগ্য-অনুৰূপে বঁটা-প্ৰসাদ দিলে। নাম ললে চুজিন্‌ফাঁ [চুডৈফা]। পাচে ৰাজাদেৱত বুঢ়াগোহাঁইত শলগুৰীয়া সুদৰিশন ঠাকুৰ আতাক গোচৰ দিলে বোলে, দিহিঙ্গীয়া ৰাজাৰ পুত্ৰ দীঘলা গোহাঁইক

পোহপাল দি থৈছে। টেঁপৰতলীয়া ফুকনক পঠাই ধৰি নি পাই মাৰিলে। ২১৩॥

চক্ৰপাণি বৰুৱা।—সেই সময়ত মেচা বৰুৱাএ জাককৰা বাৰীকুঁৱৰী দুজনাক ঘৰলৈ নিলে। কাতিৰ দহদিন যাওঁতে সোমবাৰে ফুকনবোৰে আলচি ৰাজাদেৱৰ ইঙ্গিতে সাজ খায়োতে মেচাক ধৰি বুঢ়াগোহাঁইৰ ঘৰলৈ নিলে। বুঢ়াগোহাঁয়ে বোলে, কি বদ-বদল কৰহাক! ফুকনবোৰে বোলে, ই ৰজাৰ কুঁএৰীকো নিএ, আমাকো নগণে, এতেকে আৰু বৰুৱা নোৱাৰোঁ। যদি আৰু বৰুৱা ৰাখে তেবে আমাক ঘৰলৈ খেদি পঠোৱা। গোহাঁয়ে বোলে, তইঁতে য়ে ভাল নেদেখ মহাৰাজালৈ মঞি জনাওঁ। এইবুলি ৰাজালৈ জনাই মেচাক ভাঙ্গি বৰহাজৰিকীয়া কৈদৰ চক্ৰপাণিক বৰবৰুৱা পাতিলে। মেচা পলাই গুৱাহাটীলৈ গল। আঘণত ৰজাদেৱে যুৱকটায়েদি গৈ লোহিতৰ পাৰ হৈ কাহিনগৰত আঘোণ, পুহ, মাঘ, এই তিনিমাস মাছ-পহু মাৰি, ৰঙ্গ-আনন্দ কৰি গৰ্গায়লৈ আহিল। ২১৪॥

স্বৰ্গদেৱক হত্যাৰ চেষ্টা।—১৬০০ শকৰ বৈশাখত ৰাজাদেৱক চোৰে ঘাপিলে, তথাপি মৃত্যু নহল। বামহাতৰ বুঢ়া আঙ্গুলি ছেদ হল। আৰু মুণ্ডত এঘা, হাততো এঘা, পিঠিতো এঘা, সোঁহাতৰ তলুৱাতো এঘা, এই পাঁচ ঠাইত ঘাপিলে। পণ্ডয়া দা-খান মৰঙ্গ ঘৰতে এৰি চোৰ পলাই গল। সেই সময়ত বাইভঙ্গীয়া ভণ্ডাৰৰ পোনেও, পৰ্ব্বতীয়া ভণ্ডাৰৰ পোনেও জুকালে, দুখান দুৱাৰ আছিল। চোৰে ঘাপিবৰ পৰাহে গুচালে। আৰু চোৰে ঘাপোতে মৰঙ্গিকে ৰামধন তামুলী ৰাজখোৱাকে ৰাজাদেৱে খঙ্গি হাতীশালত বন্দী কৰি থৈছিলে। পাচে মেলিলত দুয়ো শৰাইঘাটলৈ পলাই গল। এই এক কাৰণ। ২১৫॥

চিন্তামণি গড় নিৰ্ম্মাণ।—আৰু বুঢ়াগোহাঁয়ে ৰাজাদেৱক বোলে, পূৰ্ব্বে বঙ্গাল উঠিলত কোনো ঠাইক আগ্ৰহ কৰি শত্ৰুক সমুখ হবৰ ঠাই নাপালেঁ। এতেকে তুলসীজানৰ পৰ্ব্বতৰ পৰা দিহিঙ্গত লগাই

গড় এটা বান্ধিবলৈ মন কৰোঁ। সিয়ো দেৰবো চেষ্টাতহে হই। ৰাজাদেৱে বোলে ভাল, গোহাঁই বন্ধা। পাচে সেই গড় বান্ধি মন্মতি (চিন্তামণি গড়) নাম থলে। এই এক কাৰণ। ২১৬॥

বিনাযুদ্ধে মোগলক গুৱাহাটী সমৰ্পণ।—পাচে লালুক বৰফুকনে ভায়েক মৰঙ্গি ভাতধৰা দুয়েৰে আলচ কৰি বঙ্গালৰ মঙ্গুৰ-খাঁৰ ঠাইলৈ লিকচৌ গৰীয়া বকছ, বেঁতকটীয়া আহিনা মুদৈৰ পুতেক, এই দুইক মঙ্গুৰ-খাঁৰ ঠাইলৈ হাতীদাঁত, আগৰকাঠ, পাট কাপোৰ, সোণা দি পঠালে। দুয়ো গৈ নবাবত কলে, বোলে, বৰফুকনে আমাক পঠাই এইবুলি আহিছে, "উত্তৰে-দখিণে দুশমান ঘোৰা, পানীয়ে দুকুবিমান নাও আহি শৰাইভ দেখা দিয়োকহি। এতেকে আমি গড় এৰি উজাই যাম। কিন্তু মোক আচম ৰাজ্যৰ অধিকাৰী কৰিব।" এইকথা শুনি নবাবে এই দুইৰ লগত তাৰ মানুহ এটা দি ঢকাত পাৎসাৰ বেটা আজমতৰাত গৈ কব দিলে। এইকথা শুনি আজমতৰায়ে বোলে, "ভাল, মঞি কবুল কৰিলোঁ, অৱশ্যে মামুক আচম ৰাজ্যৰ অধিকাৰী কৰিম।" এইবুলি ৰামহাতৰ পঞ্জা দি চিৰপাও দি পঠালে। গড় এৰি দিবৰ নিমিত্তে চাৰিলাখ ৰূপকো দিম বুলিলে, সেই দুই আহি আজমতৰা বোলা কথা ফুকনৰ তিনিও ভায়েকৰ আগত কলেহি। ফুকনে মানুহ পঠাই বঙ্গালক উজাই আহিব দিলে, মহাৰাজাৰ ঠাইলৈকো দিখৌমুখীয়া কটকীত কৈ বঙ্গাল আহিবৰ কথা জনাই পঠালে। সেই সময়ত চিন্তামণি গড় বান্ধিছে, সাঙ্গ নোহই, এনেতে ৰাজাদেৱে গড় বন্ধা এৰিব দি তিনিজনা ডাঙ্গৰীয়া প্ৰমুখ্যে সকলকো পাচিলে গুৱাহাটীলৈ। ১৬০০ শকৰ ফাগুন মাসত বঙ্গালে ভয় কৰি কোঠৰ ভিতৰ নোসোমাই দেখি ফুকনৰ ভায়েক মৰঙ্গিয়ে গাত মোলান কাপৰ লৈ চ'ৰা এখানত উঠি ভটিয়াই গৈ বঙ্গালৰ আগত সত্য-শপত কৰি ভাঙ্গৰৰূপে ভাৰসা দি গড়ৰ ভিতৰলৈ আনিলে। পাচে ফুকনবোৰে ৰাজখোৱা হাজৰিকীয়া সমস্তো উজাই আহি লাউতলিত ৰলাহি। ২১৭॥

বাদুলিৰ আক্ষেপ।—ভগনৰ সময়ত যোৱা বাদুলি ফুকন উজাই আহি লালুক ফুকনত কলেহি, বোলে, "তঁইতে কি কাম কৰিলি! এই শৰাইঘাটৰ গড় দেৱৰো দুৰ্গম, আক কি বুলি এৰিলি? আপোনাৰ মৰ্য্যাদা আপুনি হৰুৱালি! চাৰিলাখ ৰূপ দিব খুজিলে, তাকো নললি, কিছু নহল!" এই বুলি একৰাতি থাকি ভটিয়াই গল। ২১৮॥

আতন বুঢ়াগোহাঁই বন্দী।—পাচে লালুক ফুকনে লাউতলিৰে পৰা পানীফুকন, মিৰি-সন্দিকৈৰ কাঢ়ী ডেকা, কলঙ্কুৰ দিখৌমুখীয়া ৰাজখোৱা, মেচাঘৰীয়া বৰগোহাঁইৰ বংশৰ লেচাইকলীয়া, এই চাৰিক বঙ্গাললৈ ধৰি দি পঠালে। আক গৰ্গায়ৰ পৰা তিনিজনা ডাঙ্গৰীয়া প্ৰমুক্ষে সমস্তে ভটিয়াই গৈ তিনিজনা ডাঙ্গৰীয়া বিশ্বনাথতে ৰল। ফুকন ৰাজখোৱা গৈ দুইমুনিশিলাতে ৰল। সেইদিনা শৰাইঘটীয়া-বোৰো উজাই আহি তাতে ৰহিলহি। লালুক ফুকনে গৰ্গয়া ফুকন হাজৰিকীয়াক ধৰিলে। টেপৰতলীয়া ৰাম ফুকন, কলঙ্কুৰ বেতমেলা, এই দুইকো ৰাখি কুঁৱৈগয়া মৌ গোহাঁই-ফুকন, টেপৰতলীয়া সোণাৰি-মুৱা, এই দুইক বঙ্গাললৈ ধৰি দি পঠালে। বিষমহেন দেখি বুঢ়া-গোহাঁয়ে বিশ্বনাথৰ পৰা লুইতৰ পাৰহৈ তাৰে উত্তৰে গৈ লেজুৰাজত ৰামৰায়ৰ ঘৰত থাকিলগৈ। তাৰেপৰা ধৰি আনিলে। বৰপাত্ৰ-গোহাঁয়ে উজাই আহি কেন্দুগুৰিত থাকিলহি। বৰগোহাঁই আপোনাৰ মানুহেৰে ভটিয়াই কলীয়াবৰ গেল। সলাল বৰগোহাঁয়ো গল। পাচে বুঢ়াগোহাঁঞিক দুইমুনিশিলাতে ৰখিয়া দি ৰাখি থলে। বৰপাত্ৰ-গোহাঁইক দিজোত গড় বান্ধিব দিলে, বৰগোহাঁইক লোহিতৰ দক্ষিণে গড় চিকণাব দিলে। ১৬০১ শকৰ বহাগত দুজনা গোহাঞিক কলীয়াবৰলৈ অনাই বৰপাত্ৰ-গোহাঁইক দিখৌমুখীয়া মানুহ গুচালে। জেঠত কলঙ্কুৰ বেতমেলাক গাহৰি সঁজাত ভৰাই ৰাখিছিল। একদিনা বেতমেলা ফুকনকে, টেপৰতলীয়া ফুকনকে দোপদৰলৈ নি মেচাক ফেটাই বেতমেলাৰ মুণ্ডত পিক পেলোৱালে। পাচে দুইকো

চামধৰীয়া গাৰঁৰ কাষৰত কাটিলে। বেতমেলাৰ পুতেক চিকোণক ৰাইলুঙ্গৰ হাটত হাত কাটিলে, সেই ৰাতিয়ে মৰিল। ২১৯॥

লালুক বৰফুকনৰ প্ৰতিপত্তি।—পাচে লালুক ফুকনে ভায়েক মৰঙ্গিক বৰবৰুৱা পাতিলে, পুতেক জগৰাক পানীফুকন পাতিলে। দিহিঙ্গীয়া লাপেতি ফুকনৰ পুতেক আলুনক ফুকন পাতিলে। লাম্ধুৱুৰ বন্দৰক ফুকন পাতিলে। সেই সময়ত বঙ্গাললৈ যিসকলক ধৰি দি পঠাইছিলে তাক নামাৰি বঙ্গালে ওলোটাই দি পঠালে। মৌ গোহাঞিক, সোণাবিমুৱা গোহাঞিক, বামুণীপুতেকক, তিনিক ৰাখি আকবোৰক ঘৰলৈ পঠালে। মৰঙ্গি বৰবৰুৱাক, আলুন ফুকনক, মৌপিয়া, তিনিক মহাৰাজাৰ লগলৈ পঠালে। এইৰূপে পাঁচমাহ গল। ২২০॥

লৰাৰজা বজ্ৰধ্বজসিংহ।—পাচে বৰগোহাঁইক বৰপাত্ৰগোহাঁইক কলীয়াবৰত থৈ ভায়েক ভাতধৰাক বৰফুকন পাতিলে। বুঢ়াগোহাঁইৰ ভতিজাক হাতীবৰুৱা চেঙ্গখাম গোহাঁই, আলো গোহাঁইৰ পুতেক দৈয়ঙ্গীয়া ৰাজখোৱা, সিসকলক ভাতধৰাৰ হাতত দি, কিৰ্কিৰীয়াক বন্দী কৰি লৈ লালুক ফুকন উজাই আহিল। সলাল বৰগোহাঁইক লগত আনিলে। ভাতধৰাই সিসকলক বন্দী কৰা ঘৰ পহুজালেৰে মেৰাই ৰখীয়া দি থলে। লালুক ফুকন আহি শাকবাৰী নাওশালত বৈ মেচা বৰবৰুৱাৰ কিৰ্কিৰীয়া ফুকনৰ দুইবো চকু কাঢ়িলে। চামুগুৰীয়া কোঁৱৰ এটি আনি ১৬০১ শকৰ আঘোণৰ ৫ দিন যাওঁতে বৃহস্পতিবাৰে ৰজা পাতিলে। আনাদিনা সেইজনা ৰজাৰ হাতে পৰ্ব্বতীয়া ৰজাদেৱক মৰালে। পৰ্ব্বতত ভোগ ৩ বৎসৰ ৩ মাহ ৫ দিন। ২২১॥

আতন বুঢ়াগোহাঁই হত্যা।—চামগুৰীয়া ৰজাদেৱে প্ৰথমে লেচাঙ্গত বাহৰ লৰিলে। আতপাচে সোলাফুকনে ৰজাৰ আজ্ঞা কৈ মেটেকাতলীয়া খোনা গোহাঁই চাউডাঙ্গৰ বৰুৱাক, বৰপাত্ৰৰ বংশৰ বানচেঙ্গীয়া খামচঙ্গ গোহাঁই চাউৰক শইকীয়া, এই দুইক

পঠাই কলীয়াবৰতে বুঢ়াগোহাঁইকে ককায়েক নাওবৈচা ফুকনকে ভতিজাককো মৰালে। পুতেক লনখাম ডেকাক উজাই আনি বাঁহগড়াৰ ঘৰতে মাৰিলে। দিলিহিয়া লাঙ্গি গোহাঁইক বুঢ়াগোহাঁই পাতিলে। আৰু মেটেকাৰ আলিকেকুৰিত ৰাজাদেৱক বাহৰ সজাই দি সোলাফুকন আপোনাৰ পূৰ্ব্বনিবাহ ঘৰতে থাকিল। পাচে দিহিঙ্গীয়া কাণ্ডী ডেকা, সোলাৰে বংশৰ অঁকা, এইক ফুকন পাতি কলীয়াবৰলৈ পঠালে। ৰাজাদেৱে বৰগোহাঁইক বৰপাত্ৰ-গোহাঁইক উজাই আনিব দিলে। দুয়োজনা ডাঙ্গৰীয়া আহি ১৬০২ শকৰ বহাগত মেটেকাতে ৰাজাদেৱক লিখন কৰি সেৱা কৰিলেহি। ২২২॥

লালুক বুঢ়াফুকন বধ।—আতপাচে সোলাফুকনৰ ঠাইলৈ পাৎসাৰ বেটা আজমতৰাৰ হাতৰ পঞ্জা দি কাকত দি পঠালে, বোলে, "তোমাৰ ৰাজাক ধৰি দি পঠোৱা, তিনিজনা ডাঙ্গৰীয়াকো আৰু তোমাৰ যি দোচমন আছে, তাকো ধৰি দি পঠাবা। তোমাৰ ভাল-মন্দ যি হয় তাৰো লেখা দি পঠোৱা। এতেকে তোমাৰ সমস্তে কুশল হৈব। বিশেষত, তোমাকে অচমৰ ৰাজ্যৰ ৰাজা কৰিম। তোমাৰ কাক ভয় আছে ?" এইবুলি কটকী পঠালে। সেই কটকীক ফুকনে তোলোতে ৰাজাৰ ভাণ্ডাৰৰ পৰা ৰাজাৰ ওপৰত তৰা চন্দ্ৰৰ-তাপ তৰি ৰাজা পিন্ধা বস্ত্ৰ-অলঙ্কাৰ পিন্ধি, সেই চন্দ্ৰতাপৰ তলত বহি মেটেকাৰ ঘৰত বঙ্গালৰ কটকী তুলিলে। আতপাচে তাৰে লগতে থকা ৰৰা-বৰুকে আলচি ১৬০২ শকৰ আঘোণৰ ১০ দিন যাওঁতে মঙ্গলবাৰে ৰাতি নগএগ্গা ভোটাইৰ হাতে খুঁচি মৰালে। সোলাবৰফুকনক আৰু ভাই-বঙ্গহো ভালেটি মাৰিলে। ২২৩॥

মোগলৰ শৰণাগত ভাতধৰা।—পাচে কলীয়াবৰৰ পৰা ভাতধৰা গুৱাহাটীত মধুৰ-খাঁৰ ঠাইলৈ গৈ বোলে, মোৰ ভাই-বন্ধুসকলকে আহমে মাৰিলে। এখন মঞি তোমাৰ কদমতলত শৰণাগত হৈছোহি, মোক ৰক্ষা কৰা। মোৰ লগত লোক-লস্কৰ কিছু দিয়া। মই

আহমক মাৰি নিসঞ্চ কৰি দিওঁ। মধুৰ-খাঁয়ে বোলে, পাৎসাজাদাৰ হুকুম নহলে লোকজন দিব নোৱাৰোঁ। ভালা, ফুকনজী, মঞি তোৰ লগে ভাল আখি দিয়োঁ। পাৎসাজাদাৰ ঠাই আপুনি যাই আৰ্দ্দাহ কৰ। এইবুলি ভাতধৰাৰ লগত আখি দি ঢকালৈ পঠালে। পাৎসাজাদাৰ ঠাই গৈ গলত কাপৰ বান্ধি অনেকৰূপে পাৰ্থনা কৰিলে। পাৎসাজাদাৰে বোলে, ভালা, তই এখন থাক, পাচে মই যি হয় বুলিম। ভাতধৰাও তাতে থাকিল। ২২৪ ॥

স্বৰ্গদেৱ গদাধৰসিংহ।—পাচে কলীয়াবৰীয়া ফুকনবোৰে আলচ কৰি বঙ্গালক গুৱাহাটীত ধৰোগৈ বুলি বুঢ়াগোহাঁইক, বৰুৱা, ফুকন হাজৰিকীয়া, সকলকো কলীয়াবৰলৈ নিলে। বৰপাত্ৰ গোহাঁই মৌপিয়া ফুকন এই দুই মাত্ৰ ৰাজাদেৱৰ লগত আছিল। পাচে কলীয়াবৰত সকলো যুক্তি হৈ ১৬০৩ শকৰ শাওণৰ ২০ দিন যাওঁতে বৃহস্পতিবাৰে আঠাৰে দণ্ড বেলি হলত শ্ৰীশ্ৰীগদাধৰসিংহ মহাৰাজাক কলীয়াবৰত ৰাজা পাতিলে। ২৭ দিন যাওঁতে বৃহস্পতিবাৰে ৪ দণ্ড ৰাতি আছোতে উজাই আহি ক্ৰমে গৰ্গাও পালেহি। গড়-ভিতৰৰ পত্নম-পুখুৰীৰ পাৰত থাকি চামগুৰীয়া ৰাজাদেৱক পৰ্ব্বতত মাৰিলেনি। ভোগ্য এক বৎসৰ ৮ মাহ ১৫ দিন। ফাগুনৰ ২১ দিন যাওতে শনিবাৰে মহাৰাজাৰ পৰ্ব্বতৰ ঘৰত বজ্ৰপাত হল। ২২ দিন যাওঁতে দেওবাৰে মহাৰাজা শিঙ্গৰীঘৰ উঠিল। সোমবাৰে ৪ দণ্ড বেলি আছোতে সিংহপিৰাত বহিল। ২৪ দিন যাওঁতে মঙ্গলবাৰে ১০ দণ্ড বেলি হলত সিংহাসনত উঠিল, সেইদিনাএ গদাধৰসিংহ নাম ললে। সেই নাম মজুন্দাৰে সুবৰ্ণৰ কাপেৰে লেখি পাত্ৰ-মন্ত্ৰী সমস্তকে শুনালে। ২২৫ ॥

ইটাখুলি যুদ্ধত মোগলৰ পৰাজয়।—২৫ দিন যাওঁতে বুধবাৰে চুণপোৰাত মানুহ এটাক গৰুৱে নেজ্জে মেৰাই ধৰিলে, পাচে লোকে একৰালে। চৈত্ৰৰ ১৬ দিন যাওঁতে লো-ভণ্ডাৰীক ঘৰবেপৰা কিহৰাই নিলে। ২৩ দিন যাওঁতে সোমবাৰে দুটা সূৰ্য্য ওলাইছিলে ৪ দণ্ড

বেলি হলত। ১৬০৪ শকৰ আহাৰৰ ২৭ দিন যাওঁতে সোমবাৰে ৰাজাদেৱে দাই পাই জবঙ্গ বৰগোহাঁইক মাৰিলে, আহিনা মুদৈৰ পুতেককো মাৰিলে। শাওণৰ ২ দিন যাওঁতে মঞ্জুৰ-খাঁক খেদি গুৱাহাটী ললে। বুঢ়াগোহাঁই, বৰবৰুৱা, ডেকাফুকন, এই তিনিক পাচিলে, ইবোৰো গৈ ১৮ দিন যাওঁতে বঙ্গালৰ আগচকী দুখান মাৰি ৩১ দিন যাওঁতে মঙ্গলবাৰে পানীযুদ্ধত বঙ্গালক ভঙ্গালে। ভাদৰ ১ দিন যাওঁতে বুধবাৰে ইটাখুলি শৰাইঘাট ললে। মঞ্জুৰ-খাঁ পলাল। ৰামসিংহৰ ভতিজাক দুটা পালে। ২২৬॥

স্বৰ্গদেৱ গদাধৰসিংহৰ বিবিধ ধৰ্ম্ম।—পুষৰ ৫ দিন যাওঁতে বুধবাৰে বৰদুৱাৰত মৌএ বাহ ললে। ২৭ দিন যাওঁতে বুধবাৰে ৰাজাদেৱে তিঙ্গখাঙ্গত পুখুৰি খানিলে। চ'তৰ ২৭ দিন যাওঁতে সোমবাৰে সন্দিকৈৰ নেওগে, বিহপৰুৱা ফুকনে, বাঁহবৰীয়া ৰামকৃষ্ণাই কটকীত কৈ আহিল, বোলে, বন্দৰ বৰফুকনেৰে ফুল বৰুৱাৰ পুতেক পানীফুকনৰে মন বিধাৰণ, এইকথা ৰাজাদেৱৰ পৰ্ব্বতৰ ঘৰত ৰামকৃষ্ণায়ে কলেহি। ৰাজাদেৱে দুইকো অনাই ১৬০৫ শকৰ বহাগৰ তিনিদিন যাওঁতে দেৱবাৰে ৪ দণ্ড বেলি আছোতে সেই দুইক ভাঙ্গি ঘৰলৈ খেদিলে। সন্দিকৈ নেওগক বৰফুকন পাতিলে। দিহিঙ্গীয়া বৰবৰুৱাৰ ভায়েকক পানীফুকন পাতিলে। বহাগৰ ১৯ দিন যাওঁতে মঙ্গলবাৰে গিদাগাঠিকে, বকল তামুলীকে, খৰঙ্গিকে মাৰিলে। জেঠৰ ২০ দিন যাওঁতে বুধবাৰে পাৎসাজাদাৰ ঠাইৰপৰা পলাই অহা ভাতধৰা, ভাৰে পুতেক ৰবাগী এটা ধৰি আনি হাতীশালত বন্দীকৈ থৈ মাৰিলে। আঘোণৰ ১৩ দিন যাওঁতে শনিবাৰে পাটঘৰ সবলৈ যতন কৰোঁতে দিনাদুয়েক নৰিয়া পৰিলে। ২০ দিন যাওঁতে শুক্ৰবাৰে ৰাজাদেৱে পাটঘৰ ললে। ফাগুনৰ ১১ দিন যাওঁতে শুক্ৰবাৰে তিঙ্গখাঙ্গত পুখুৰীৰ যজ্ঞভূমিত হাল বাজে। ২১ দিন যাওঁতে সোমবাৰে পুখুৰী উৎসৰ্গালৈ আউনিআটীয়া, বেঙ্গেনাআটীয়া, কাটনিপৰীয়া, তিনিজনা মহাজনক অনাই পুখুৰীপাৰত সভা কৰাই ১২ দণ্ড বেলি আছোতে

নাগ পুতিলে। চ'তত বৰচুৱাৰত শিল ইটা লগাই বন্ধালে, এফালে আমাৰ মানুহে, এফালে বঙ্গালে। ১৬০৬ শকৰ জেঠৰ ১৩ দিন যাওঁতে দেওবাৰে বৰহোলোঙ্গত সিংহাসন বৰঢাক তুলিলে। ২২৭॥

বিদ্ৰোহী দমন।—১৬ দিন যাওঁতে বুধবাৰে সোন্দৰ গোহাঁইৰ নাতিয়েকে, উমাই লঠাৰ ভায়েকে, লো-ভণ্ডাৰীৰ নাতিয়েকে, এইহঁত দ্ৰোহ আচৰিব খুজিছে বুলি ৰাজাদেৱত ঢেকিয়াল বেতমলা শইকিয়ায়ে কলে। সোধপোচ কৰি দাই হেন দেখি মাৰিলে। ১৭ দিন যাওঁতে বৃহস্পতিবাৰে পোলোঙ্গা কোঁৱৰক মাৰিলে। ৩১ দিন যাওঁতে চক্ৰপাণি বৰবৰুৱাকে, জম্মিকে মাৰিলে। আহাৰৰ কুৰিদিন যাওঁতে বৃহস্পতিবাৰে চক্ৰপাণিৰ ভায়েককে পুতেককে মাৰিলে। আহিনৰ ৭ দিন যাওঁতে পানীফুকনে, বিহপৰুৱা ফুকনে, লেচাৰ পুতেক নাম-ডঙ্গীয়া ফুকনে, বুঢ়াগোহাঁই-ফুকনে, বৰফুকনে ভাঙ্গি থৈ শিঙ্গৰিত চকী দিয়ালেহি। ৰাজাদেৱে এই বাৰ্ত্তা পাই হৰিধন পাচনিক·····
···[পুথিৰ ৪২ পাত সমাপ্ত। তাৰ পাচৰ ৪৩, ৪৪, ৪৫, ৪৬ নং এই চাৰিখিলা পাত নাই। এই চাৰিখিলা পাতত অনুমানে এইখিনি কথা আছিল,—নামনিৰ ফুকনসকলে বিদ্ৰোহৰ আয়োজন কৰাত গদাধৰসিংহ স্বৰ্গদেৱে বকতিয়ালৰ হৰিধন পাচনিক পঠাই সকলো কথাৰ বুজ ললে, পাচনিয়ে গৈ বিদ্ৰোহৰ কথাখিনি কলত স্বৰ্গদেৱে নিজে কলীয়াবৰলৈ গৈ তাতে কিছুদিন থাকি বিদ্ৰোহ দমন কৰে, আৰু অপৰাধী ফুকনসকলক ধৰি আনি যথাবিধি শাস্তি দিয়ে। তলৰ কথাখিনি ৪৭ নং পাতত আৰম্ভ হৈছে।—সম্পাদক।] ২২৮॥

কলীয়াবৰৰ বাহৰৰ নাম মনপুৰ।·········হাতীত ফুকন ছটা আছিল। সেই সময়তে নামডঙ্গীয়া ফুকনৰ মানুহ বৰফুকনক আদিকৈ পাঞ্চো ফুকনক বাটি দিলে। তাৰে পৰা গুৱাহাটীত ফুকন পাঁচোটাহে হল। আৰু ছুলো ফুকনে বৰফুকনৰ লগ নলবৰ গুনি ভাঙ্গি ঘৰলৈ খেদিলে। তাৰ সলনি লাহন ৰাজনেওগক ডেকাফুকন পাতিলে। পাচে ৰাজাদেৱে বঙ্গ-আনন্দ কৰি দিনাচেৰেক থাকি কলীয়াবৰৰ

বাহবৰ মনপুৰ নাম দিলে, আৰু বৰফুকনক আদিকে পাঁচো ফুকনক বঁটা-প্ৰসাদ দি বিদাই দিলে। পাচে মহাৰাজা গৰ্গাৰলৈ উজাই আহিল। ২২৯॥

দিহিঙ্গীয়া আলুন বৰবৰুৱাৰ বিষয় ভঙ্গা।—১৬০৬ শকৰ ফাগুনত বৰফুকনে নামদঙ্গীয়া ফুকনক বিচাৰি পাই লোৰা লগাই বন্দী কৰি থৈ মহাৰাজালৈ জনাই পঠালে। পাচে ৰাজাদেৱে দোলাকাষৰীয়া বৰা, চাউডাঙ্গৰ বৰা, দা-ধৰা বৰা, এই তিনিক পঠাই নামদঙ্গীয়া ফুকনক অনাই চ'তৰ ৯ দিন যাওঁতে শনিবাৰে ৰজাহাটত টঙ্গনিয়াই মাৰি শালত দি থলে। ১৬০৭ শকৰ জেঠৰ ১ দিন যাওঁতে বৃহস্পতিবাৰে ৰাজাদেৱে ৰাজ্যক ৰাচ খুৱালে। বৰবৰুৱাৰ ভায়েক পানীফুকনৰ পৰা ডাঙ্গৰ অসন্তোষ পালে। তাক মাৰিবাক মনে বৰবৰুৱাক ভাঙ্গিবলৈ মন কৰিলে। জেঠৰ ২৯ দিন যাওঁতে বৃহস্পতিবাৰে পুৰাৰ চৌপৰ মৰাত ওলাই আহি লুকলুকানৰ চ'ৰাত বহি কাণ্ডী ৰাকুৰতী হিলৈদাৰী দি চাৰিঙ্গৰজাক চোণপোৰা দুৱাৰত থলে, দুৱৰাৰ দিহিঙ্গীয়া ফুকনক বৰদুৱাৰত থলে, কঠালবৰীয়া দোলাকাখৰীয়া বৰুৱাক মেঘাইদুৱাৰত থলে। পাচে ৰজাদেৱে খামুনৰ পুতেক চাউডাঙ্গৰ বৰুৱাক বৰবৰুৱাৰ ঘৰলৈ পঠালে, বোলে, কগৈ, মঞিঙ আজি বৰুৱাক ঘৰলৈ বিদাই দিলো। আৰু এফেদ মানুহ লৈ যা, বৰুৱাৰ ঘৰৰ কুটাডাল পৰ্য্যন্তে বৰুৱাৰ ঘৰত দিবনি, কাণ্ড, বাৰু, হিলৈ, দা, তৰোৱাল যি আছে তাক নিনিব। আৰু বৰবৰুৱাৰ লগৰ দিহিঙ্গীয়া তিনি-শ কাণ্ডীক মোৰ এথেলেই পঠাগৈ। এইৰূপে শিখাই তাৰ লগত চাউডাঙ্গৰ বৰা, দোলাকাখৰীয়া বৰা, দা-ধৰা বৰা দি পঠাই দিলে। সিহঁতো গৈ বৰুৱাৰ লগৰ দিহিঙ্গীয়া কাণ্ডী তিনি-শ, শইকিয়া তিনিটা সহিতে চাউডাঙ্গ বৰা এটা দি পঠাই দিলে।

পাচে চাউডাঙ্গৰ বৰুৱাও বৰবৰুৱালৈ কৈ পঠালে, বোলে, ওলাই আহোক, দেৱতাৰ কথা শুনিব লাগে। এইৰূপে জনালত বৰুৱা বৰ ভয়যুক্ত হুই চাউডাঙ্গৰ বৰুৱালৈ কৈ পঠালে, বোলে, দেৱতা যদি

মোক কোনোখান কৰিব দিছে, কৈ আহোক, মঞি সাৱধান হুব লাগে, মিছাকৈ নকব। যদি মিছা কয় ধৰ্ম্মত ঘাটিব। চাউডাঙ্গৰ বৰুৱা কৈ পঠালে বোলে, কিছু ভয় নকৰিব, দেহৰ কিছু নাই। যদি কোনোখান হুব, মই ধৰ্ম্মত ঘাটিম। এইকথা শুনি বৰবৰুৱা ওলাই আহি বোলে, মোকনো দেৱতাৰ কোন আজ্ঞা হুইছে? এইবুলি দেৱতাৰ আজ্ঞা শুনিবলৈ মাটিত আঠু পাৰিলে। চাউডাঙ্গৰ বৰুৱাও আঠু পাৰিলে। দেৱতাৰ আজ্ঞা কলে, বোলে, বৰুৱাক আজি মঞি ঘৰলৈ বিদাই দিলো। আৰু এফৈদ মানুহ দিছে। ঘৰৰ যি বস্তু য'তে আছে সমস্তেখানি কটিয়াই দিহিঙ্গৰ ঘৰত দিব দিছেনি, আহিলা-পাতি যি আছে তাক দি যাব দিছে। এইকথা শুনি বৰবৰুৱা চাউডাঙ্গৰ বৰুৱাত সুধিলে বোলে, মঞি ভিতৰলৈ গৈ আহিব খোজো, যাব পাই নাপাই? চাউডাঙ্গৰ বৰুৱা বোলে, ভাল, যাউক, কিন্তু সতকাই আহিব। বৰুৱা ভিতৰ সোমাই গৈ কিছুমানপৰ থাকি ওলাই আহি ৰূপ এসেৰে, সোণৰ কেৰুয়েৰে কাপৰ এসাজ চাউডাঙ্গৰ বৰুৱাক দিলে। কেৰুকাপৰ লৈ ৰূপসেৰ ওলোটাই দিলে। আৰু বৰাহেঁতলৈকো চাৰিটকাকৈ ৰূপ, কাপোৰ একোসাজ দি ঘৰবেপৰা দেৱতালৈ সেৱা কৰিলে।

পাচে বৰুৱা দিহিঙ্গৰ ঘৰলৈ ওলাই গল। চকীহাট পাইছেগৈ, এনেতে চাউডাঙ্গ বৰা এটা লৰি গৈ বৰুৱাৰ আগত গৈ বলগৈ। পাচে বৰুৱা কিছু ভয় হৈ সুধিলে, বোলে, চাউডাঙ্গৰ বৰা, কি হৈছে? সি বোলে, দেৱতাৰ আজ্ঞা হৈছে, বোলে বৰবৰুৱাৰ ক'লা ঘোৰাটো যে আছে তাতে উঠি বৰুৱা ঘৰলৈ যাউক। তাক বাখিব, মোৰ আগতে ঘোৰাত উঠিব দিছে। তাক ৰূপ পাঁচ টকা দিলে। পাচে ঘোৰা অনাই তাতে উঠি গল। ২৩০॥

ভঙ্গা-বৰবৰুৱাৰ ৰাজভক্তি।—জেঠৰ ৩০ দিন যাওঁতে শুক্ৰবাৰে লাহন ফুকনক বৰবৰুৱা পাতিলে। আৰু বৰবৰুৱাৰ ভায়েক পানী-দিহিঙ্গীয়া ৰাজখোৱাক ভাঙ্গি বামুনৰ পুতেক চাউডাঙ্গৰ বৰুৱাক

ৰাজখোৱা পাতিলে। লাওকলিখোৱাক পানীফুকন ভাঙ্গি তিঙ্গখঙ্গীয়া দোলাকাষৰীয়া বৰুৱাক পানীফুকন পাতিলে। ১৬০৭ শকৰ ভাদৰ ৪ দিন যাওঁতে চাবিঙ্গৰজা পচা হেন কৈ সোণৰ কেৰুয়েৰে একোসাজ কাপৰ দি ভগা-বৰবৰুৱাৰ তলৈ এটা, ভায়েক ভগা-পানীফুকনৰ তলৈ এটা বিশ্বাসে পঠাই দিলে। বোলে, চাবিঙ্গৰজাএ কেৰু-কাপৰ দি কৈ আহিছে, বোলে, "বৰুৱা মোৰ লগত সহায় ভজোক, মঞি ৰজা হোঁ।" এইকথা শুনি ভগা-বৰবৰুৱা সেই মানুহক ধৰি বান্ধি দেৱতাৰ ঠাইলৈ দি পঠাই বোলে, "স্বৰ্গদেৱৰ চৰণত মই বন্দী নিষ্কাম সেৱক; স্বৰ্গদেৱে যেইৰূপে থইছে, সেইৰূপে আছোঁ দেৱতাক চিন্তি। চাবিঙ্গৰজা যে পাচিছে বুলি কৈছে, আকো দেৱতাহে বিচাৰ কৰোঁতা। আৰু স্বৰ্গদেৱে মঞি বন্দীক কাটিব মাৰিবলৈ ইমান যত্ন কৰিব নালাগে। পূৰ্ব্বেনো একাখাৰ বচন নুবুলি বন্দীক কিলেই খেদি পঠালে?" ভগা-পানীফুকনতো সেই ৰকমে কেৰু-কাপৰ দি কলে, বোলে, ভাল বটাকো পিন্ধিম, সহায়ো ভজিম, দেৱে মন কৰোক। সেই মানুহ আহি মহাৰাজাত এইৰূপে কলেহি। পাচে ৰাজাদেৱে বোলে, বৰুৱাৰ মন শুদ্ধ। ২৩১ ॥

পানীফুকন আদি বধ।—এইবুলি পানীফুকনক ঘৰৰপৰা আনি হাতীশালত বন্দীকৈ থৈ ৰাজাদেৱে বোলে, পূৰ্ব্বেই মোক অনিষ্টক আচৰিলে, তেতিয়া আৰু মাৰিব লাগিল, নামাৰি ৰাখিলোঁ। এতিয়াও দেখোঁ আসয় সেইএহে। এইবুলি আহিনৰ তিনিদিন যাওঁতে সোমবাৰে ৰজাহাটত চেপি মাৰিলে। সেই শকৰে ফাগুনৰ ৮ দিন যাওঁতে শুক্ৰবাৰে ৰাজাদেৱে পৰ্ব্বতৰ ঘৰ উঠিল। কাতিৰ ২৯ দিন যাওঁতে দেওবাৰে ভগা মৰঙ্গি বৰবৰুৱাক ঘৰৰপৰা আনি মাৰিলে পূৰ্ব্বৰ দ্ৰোহক নিমিত কৰি। ১৬০৮ শকৰ পুহত ৰাজাদেৱে টিয়কেদি গৈ দিচৈৰ কাষৰত বাহৰ কৰি হোলোঙ্গাপৰাত হাতী ধৰিলে। সেই শকতে টোকোলাইত ৰচা পাতিলে। ১৬০৯ শকৰ